# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 16-10-2024
**Time :** 18-45 Hrs.

***Assamese Evening Bulletin***
***::::::::::::::::::::::::::::::::::::***

১। **ভাষা গৌৰৱ সপ্তাহ** পালনৰ সিদ্ধান্ত সন্দৰ্ভত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষতাত গুৰুত্বপূৰ্ণ বৈঠক।

২। উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ পাছত ৰাজ্যৰ ৫ টা সমষ্টিত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি। প্ৰশাসনৰ যাৱতীয় প্ৰস্তুতি আৰম্ভ।

৩। কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী তথা পেঞ্চনাৰসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধি কৰাৰ সিদ্ধান্তত কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন। ***আৰু***

৪। ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা পালন।

000

ৰাজ্য চৰকাৰে অহা ৩ৰ পৰা ৯ নৱেম্বৰলৈ **ভাষা গৌৰৱ সপ্তাহ** পালন কৰিব। এই সপ্তাহৰ কাৰ্যসূচী হিচাপে বিশ্ববিদ্যালয়, মহাবিদ্যালয়, বিদ্যালয় আৰু নাগৰিক সমাজৰ সংগঠনসমূহৰ সহায়ত অসমীয়া সাহিত্যিক, পণ্ডিতসকলৰ অৱদানক সন্মান জনোৱা হ'ব। এই উপলক্ষে সবিশেষ যুগুতাই উলিওৱাৰ উদ্দেশ্যে আজি অনুষ্ঠিত এখন গুৰুত্বপূৰ্ণ বৈঠকত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই অধ্যক্ষতা কৰে। অসমীয়া ভাষাক ধ্ৰুপদী ভাষাৰ মৰ্যাদা প্ৰদান আৰু সমাজক ঐক্যবদ্ধ কৰাত ভাষাৰ অমূল্য অৱদানৰ উদ্‌যাপনৰ উদ্দেশ্যে এই সপ্তাহ পালন কৰা হব।

উল্লেখযোগ্য যে যোৱা ৩ অক্টোবৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ অধ্যক্ষতাত অনুষ্ঠিত কেন্দ্ৰীয় মন্ত্ৰীসভাৰ বৈঠকত অসমীয়া ভাষাক ধ্ৰুপদী ভাষা হিচাপে স্বীকৃতি দিয়া হৈছিল। এই স্বীকৃতি উদযাপনৰ বাবে অসমীয়া ভাষা উত্তৰণৰ দিশত অৰিহণা আগবঢ়োৱা সাহিত্যিক আৰু পণ্ডিতসকলৰ সৃষ্টি কৰ্মৰ প্ৰতি শ্ৰদ্ধা নিবেদন কৰা হ'ব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই প্ৰকাশ কৰিছে।

000

ৰাজ্যৰ ৫ টা সমষ্টিত উপ নিৰ্বাচনৰ দিন ঘোষণা কৰাৰ লগে লগে সমষ্টিকেইটাত ৰাজনৈতিক দলসমূহৰ তৎপৰতা বৃদ্ধি পোৱা পৰিলক্ষিত হৈছে। ধলাই, চিদলী, বঙাইগাওঁ, বিহালী আৰু চামগুৰি সমষ্টিত খালী হোৱা বিধানসভাৰ আসন ৫ খনৰ বাবে অহা ১৩ নৱেম্বৰত উপ নিৰ্বাচন অনুষ্ঠিত হ'ব। সকলো ৰাজনৈতিক দলে নিজ নিজ দলৰ হৈ নিৰ্বাচনৰ প্ৰস্তুতি আৰম্ভ কৰিছে। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ৰিপুন বৰাই এখন সংবাদমেলৰ আয়োজন কৰি ৰাজ্যই সন্মুখীন হোৱা জটিল বিত্তীয় সংকটৰ বিষয়টো উত্থাপন কৰি আসন্ন উপ নিৰ্বাচন আৰু পঞ্চায়ত নিৰ্বাচনত এখন কল্যাণকামী চৰকাৰ প্ৰতিষ্ঠা কৰিবলৈ ৰাইজক আহ্বান জনাইছে।

বঙাইগাও জিলাৰ আয়ুক্তই আজি তেওঁৰ কাৰ্যালয়ৰ সভাকক্ষত উপ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত ৰাজনৈতিক দলবোৰৰ প্ৰতিনিধি আৰু সাংবাদিকৰ সৈতে এখন সভা অনুষ্ঠিত কৰি নিৰ্বাচনী বিধি আৰু মনোনয়নপত্ৰ দাখিলৰ

নীতি নিয়মসমূহৰ বিষয়ে অৱগত কৰে। উপ নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া জিলাসমূহত যাতে নীতি নিয়ম তথা নিৰ্বাচনী বিধিৰ মাজেৰে নিৰ্বাচন সুকলমে পাৰ হয় তাৰ বাবে প্ৰশাসনে প্ৰচেষ্টা চলাইছে।

বিহালী সমষ্টিৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত আমাৰ শোণিতপুৰৰ সংবাদদাতা ৰজত ভৰদ্বাজে এইদৰে কয়।

**ভইছ**

০০০

কেন্দ্ৰীয় কেবিনেটে কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী তথা পেঞ্চনাৰসকলৰ মৰগীয়া বানচ ৩ শতাংশ বৃদ্ধি কৰাৰ সিদ্ধান্তত অনুমোদন জনাইছে। কেন্দ্ৰীয় মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰা মতে, ইয়াৰ বাবে কেন্দ্ৰীয় চৰকাৰে প্ৰত্যেক বছৰে ৯ হাজাৰ ৪৪৮ কোটি টকাৰ খৰছ ধাৰ্য কৰিছে। দিপাৱলীৰ পূৰ্বে কৰ্মচাৰী তথা পেঞ্চনাৰ সকলে বৰ্ধিত বানচ লাভ কৰিব। এই সন্দৰ্ভত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এইদৰে কয়।

বাইট

০০০

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানে ৪৪৬ বিধ পখিলাৰ প্ৰজাতিৰে দেশৰ দ্বিতীয়খন পখিলাৰ বৈচিত্ৰ কেন্দ্ৰ হিচাপে স্বীকৃতি লাভ কৰিছে। অৰুণাচল প্ৰদেশৰ নামদফা ৰাষ্ট্ৰীয় উদ্যানৰ পাছতে কাজিৰঙাৰ এই স্থান দখলে পখিলাৰ বিভিন্ন প্ৰজাতিৰ সুৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা ল'ব বুলি আশা কৰে হৈছে। যোৱা ২৭ ছেপ্তেম্বৰৰ পৰা দুদিনীয়াকৈ অনুষ্ঠিত হোৱা পখিলা সংৰক্ষণ সন্মিলন ২০২৪ৰ সময়ছোৱাত কাৰ্বি আংলং আৰু কাজিৰঙাৰ বিভিন্ন স্থানত বিশেষকৈ পানবাৰী সংৰক্ষিত বনাঞ্চলত মুঠ ৮৫ বিধ পখিলা প্ৰজাতিৰ পৰ্যবেক্ষণ কৰা হৈছিল। কাজিৰঙাত পখিলা সংৰক্ষণৰ গুৰুত্বৰ বিষয়ে সজাগতা বৃদ্ধিৰ কৰাৰ উদ্দেশ্যে অনুষ্ঠিত কৰা এই সন্মিলনে অঞ্চলটোত পখিলা প্ৰজাতিৰ সমৃদ্ধ বৈচিত্ৰৰ ওপৰত আলোকপাত কৰি এইক্ষেত্ৰত অধিক গৱেষণা, নিৰীক্ষণ আৰু সুৰক্ষা সন্দৰ্ভত লোৱা বিভিন্ন ব্যৱস্থাসমূহ শক্তিশালী কৰি তোলাত গুৰুত্ব আৰোপ কৰে।

ইপিনে বৰ্তমানলৈকে কাজিৰঙালৈ ১১ হাজাৰ ৪৫ গৰাকী দেশী-বিদেশী পৰ্যটকৰ আগমন ঘটিছে বুলি উদ্যান কৰ্তৃপক্ষই জানিবলৈ দিছে। দৰ্শনাৰ্থীৰ বাবে মুকলি কৰাৰ মাত্ৰ ১৫ দিনৰ ভিতৰতে ২৪ লাখতকৈও অধিক টকাৰ ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। কেৱল জীপ ছাফাৰীৰ জৰিয়তে বন বিভাগে দেশী-বিদেশী পৰ্যটকৰ পৰা এই ৰাজহ সংগ্ৰহ কৰিছে। অহা ১ নৱেম্বৰত ৰাষ্ট্ৰীয় উদ্যানখনত হাতীৰ ছাফাৰী আৰম্ভ কৰা হ'ব।

০০০

মুখ্যমন্ত্ৰীৰ তদাৰকী আৰু দুৰ্নীতি নিবাৰক শাখাই আজি জনতা ভৱনৰ মূল প্ৰৱেশদ্বাৰৰ সমীপত উৎকোচ লোৱা অৱস্থাত আবকাৰী বিভাগৰ অধীক্ষক কাৰ্যালয়ৰ পাৰ্থ হাজৰিকা নামৰ এজন বিষয়াক গ্ৰেপ্তাৰ কৰিছে। হাজৰিকাই বাৰৰ অনুজ্ঞাপত্ৰ প্ৰদানৰ নামত এজন লোকৰ পৰা উৎকোচ দাবী কৰিছিল। সমগ্ৰ ঘটনা সন্দৰ্ভত লোকজনে বিভাগত গোচৰ ৰুজু কৰিছিল। এই গোচৰৰ ভিত্তিতেই বিভাগে লোকজনৰ পৰা ২৪ হাজাৰ ৫০০ টকা উৎকোচ লওঁতেই হাজৰিকাক গ্ৰেপ্তাৰ কৰে।

০০০

ঐশ্বৰ্য বিভূতিৰ কামনাৰে আজি ৰাজ্যত ধন আৰু সৌভাগ্যৰ দেৱী শ্ৰীশ্ৰীলক্ষ্মী দেৱীৰ পূজা কৰা হ'ব। পঞ্জিকা অনুসৰি আজি নিশা ৮ বাজি ৪০ মিনিটৰ পৰা লক্ষ্মী পূৰ্ণিমা তিথি আৰম্ভ হৈ কাইলৈ বিয়লি ৪ বাজি ৫৫ মিনিটত সমাপ্ত হ'ব। প্ৰতিবছৰৰ দৰে এইবাৰো ৰাজ্যৰ প্ৰান্তে প্ৰান্তে লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। গুৱাহাটী

মহানগৰীতো বিস্তৃত কাৰ্যসূচীৰে লক্ষ্মী দেৱীৰ পূজা-অৰ্চনা কৰা হ'ব। বেলতলা, গণেশগুৰি, আজাৰা, চন্দ্ৰপুৰ আদিকে ধৰি মহানগৰীৰ বিভিন্ন প্ৰান্তত আয়োজন কৰা লক্ষ্মী পূজাত ভক্তৰ ভিৰ পৰিলক্ষিত হৈছে। ইফালে বোন্দাৰ চপাইদাং সাৰ্বজনীন লক্ষ্মী পূজাৰ সোণালী বৰ্ষ আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰ আৰম্ভ হৈছে। আজি পুৰা সোণালী জয়ন্তী বৰ্ষৰ ৫০ খন পতাকা অঞ্চলটোৰ ৫০ গৰাকী বিশিষ্ট ব্যক্তিয়ে উত্তোলন কৰে। ভিন ভিন জিলাত ৩ৰ পৰা ৭ দিনীয়া কাৰ্যসূচীৰে আয়োজিত লক্ষ্মী পূজাৰ লগতে বিভিন্ন প্ৰতিযোগিতা, নাট প্ৰদৰ্শন, মেলা আদিও অনুষ্ঠিত কৰা হৈছে।

বাক্সা জিলাৰ বিভিন্ন স্থানতো ৰাজহুৱাভাৱে শ্ৰীশ্ৰীলক্ষ্মী পূজা উদযাপন কৰা হৈছে বুলি আকাশবাণীৰ সংবাদদাতাই জানিবলৈ দিছে।

০০০

নদীদ্বীপ মাজুলীতো আজি ধন আৰু ঐশ্বৰ্যৰ দেৱী লক্ষ্মী পূজাৰ আয়োজন কৰা হৈছে। নামঘৰ, বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান, দোকান-বজাৰ আদিত পৰম্পৰাগত ৰীতি-নীতিৰে লক্ষ্মী পূজা পালন কৰাৰ লগতে বহু ঠাইত ভাওনাও প্ৰদৰ্শন কৰা হ'ব। উল্লেখযোগ্য যে সত্ৰ সংস্কৃতিৰ পীঠস্থান মাজুলীত লক্ষী পূৰ্ণিমাৰ দিনটোৰ পৰাই নদীদ্বীপটোৰ মূল উৎসৱ ৰাস মহোৎসৱৰ প্ৰস্তুতি আৰম্ভ হয়। এই সন্দৰ্ভত গড়মূৰ খোনাচুকৰ শ্ৰীশ্ৰী মাধৱদেৱ কৃষ্টি কেন্দ্ৰৰ এগৰাকী উদ্যোক্তাই এইদৰে কয়-

**-বাইট-**

০০০

ৰাজ্যৰ সকলো চৰকাৰী কাৰ্যালয়ৰ কাম-কাজসমূহ সময়মতে আৰু সূচাৰুৰূপে সম্পন্ন কৰিবলৈ অসম চৰকাৰে আৰম্ভ কৰা সম্ভাৱনা শীৰ্ষক প্ৰকল্পৰ অধীনত সকলো চৰকাৰী কাৰ্যালয়সমূহ কাগজবিহীন কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰা হৈছে। এই উপলক্ষে তামুলপুৰ জিলা আয়ুক্তৰ কাৰ্যালয় সভাকক্ষত সম্ভাৱনা-থ্ৰি পইণ্ট জিৰো শীৰ্ষক এখন সভা অনুষ্ঠিত হয়। সভাখনত তামুলপুৰ জিলা আয়ুক্ত, আৰক্ষী অধীক্ষককে প্ৰমুখ্য কৰি সংশ্লিষ্ট ২৪ টা বিভাগৰ বিষয়াসকল উপস্থিত থাকে।

০০০

শিৱসাগৰ জিলা ছাত্ৰ সন্থাৰ উদ্যোগত বিগত বছৰসমূহৰ দৰে আজি লক্ষ্মী পূৰ্ণিমাৰ দিনটোত শিৱসাগৰত ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱাৰ জন্মদিন উদ্‌যাপন কৰা হয়। এই উপলক্ষে শিৱসাগৰৰ লক্ষ্মীনাথ বেজবৰুৱা শিশু উদ্যানত অসমীয়া ভাষা সাহিত্যৰ কাণ্ডাৰীগৰাকীৰ প্ৰতিমুৰ্তিত বন্তি প্ৰজলন কৰি বেজবৰুৱাৰ প্ৰতি শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰা হয়। অসমীয়া সাহিত্যৰ সকলো ক্ষেত্ৰকে চহকী কৰি যোৱা সাহিত্যৰথীগৰাকীৰ প্ৰতিমুৰ্তিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰি বেজবৰুৱা পৰিয়ালৰ হৈ অৰুন্ধতি বেজবৰুৱাই অনুষ্ঠানৰ শুভাৰম্ভ কৰে। অনুষ্ঠানত জিলা ছাত্ৰ সন্থাই ২০২৪ বৰ্ষৰ লক্ষ্মীনাথ বেজবৰুৱা বঁটাৰ বাবে অসম সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট কবি সাহিত্যিক কুল শইকীয়াক প্ৰদান কৰা হ'ব বুলি ঘোষণা কৰে। এই অনুষ্ঠানৰ জৰিয়তে ছাত্ৰ সংগঠনটোৱে ৰাজ্য চৰকাৰক সাহিত্যৰথিৰ কৰ্ম আৰু তেঁওৰ স্মৃতি বিজড়িত প্ৰতিটো সম্পদ সঠিকভাৱে সংৰক্ষণ কৰি নৱ প্ৰজন্মক তেওঁৰ লগত সংলগ্ন ঐতিহ্যৰ সৈতে পৰিচয় কৰাই দিয়াৰ গুৰু দায়িত্ব গ্ৰহণ কৰাৰ বাবে কাৰ্যকৰী ব্যৱস্থা লোৱাৰ বাবে আহ্বান জনায়। এই সন্দৰ্ভত সদৌ অসম ছাত্ৰ সন্থাৰ কেন্দ্ৰীয় কাৰ্যনিৰ্বাহক সমীৰণ ফুকনে এইদৰে কয়।

ভইছ

০০০

কাইলৈ কাতি বিহু। পথাৰৰ লখিমীক আদৰাৰ পূৰ্বে খেতি পথাৰত চাকি, আকাশবন্তি জ্বলাই কৃষিজীৱী ৰাইজে আশীৰ্বাদ গ্ৰহণ কৰিব। সমগ্ৰ ৰাজ্যৰ লগতে গুৱাহাটী মহানগৰবাসীয়েও কাতি বিহু পালন কৰিবলৈ সাজু হৈছে। উল্লেখযোগ্য যে মহানগৰীত বাস কৰা নৱপ্ৰজন্মক অসমীয়া জাতিৰ চহা জীৱনৰ পৰম্পৰাৰ সৈতে পৰিচয় কৰাই দিবলৈ বৃহত্তৰ গুৱাহাটী বিহু সমন্বয় সমিতি আৰু খাৰঘুলী বিহু সন্মিলনে বিশেষ উদ্যোগ গ্ৰহণ কৰিছে। সেই উপলক্ষে কাইলৈ খাৰঘুলী বিহুতলিত সন্ধিয়া ৬ বজাত বন্তি প্ৰজ্বলনেৰে বিহুৰ শুভাৰম্ভ কৰা হ'ব আৰু ইয়াত ধাননী পথাৰ, জুপুৰী ঘৰকে ধৰি অসমৰ চহা জীৱনৰ সঁজুলিসমূহ প্ৰদৰ্শন কৰা হ'ব। এই অনুষ্ঠানত সাংসদ বিজুলী কলিতা মেধি মুখ্য অতিথি হিচাপে উপস্থিত থকাৰ লগতে মেয়ৰ মৃগেন শৰণীয়া, বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যকে ধৰি বহুসংখ্যক গণ্য-মান্য বক্তি উপস্থিত থাকিব।

অসমৰ ৰাজ্যপাল লক্ষ্মণ প্ৰসাদ আচাৰ্যই কাতি বিহু উপলক্ষে ৰাজ্যবাসীলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। এটা বিবৃতিযোগে শ্ৰী আচাৰ্যই কয় যে, যিহেতু অসমৰ এটা কৃষি সংস্কৃতি আছে আৰু ৰাজ্যখনৰ বৃহৎ সংখ্যক জনসাধাৰণ কৃষিৰ ওপৰত নিৰ্ভৰশীল, সেয়েহে কাতি বিহুৰ গুৰুত্ব অপৰিসীম। এই বিহুত তুলসীৰ তলত জ্বলোৱা মাটিৰ চাকিয়ে তুলসীৰ সৈতে আমাৰ অন্তৰ্নিহিত সম্পৰ্ক পুনৰাবৃত্তি কৰে। অসমীয়া সমাজৰ চহকী উত্তৰাধিকাৰক আগুৱাই নিয়াৰ বাবে তেওঁ সকলোকে বিহু উদযাপন কৰিবলৈ আহ্বান জনায়।

০০০

বৰপেটাত ফখৰুদ্দিন আলী আহমেদ চিকিৎসা মহাবিদ্যালয় আৰু হাস্পতালত ২০২৪-২৫ বৰ্ষত এম বি বি এছ পাঠ্যক্ৰমত নামভৰ্তি কৰা ছাত্ৰ-ছাত্ৰীসকলে চিকিৎসক হিচাপে আগন্তুক দিনবোৰত ৰাইজক সেৱা আগবঢ়োৱাৰ শপত গ্ৰহণ কৰে। এই অনুষ্ঠানত শিক্ষা মন্ত্ৰী ডা০ ৰণোজ পেগু, বৰপেটা জিলা আয়ুক্তসহ মহাবিদ্যালয়খনৰ অধ্যক্ষ আৰু অধ্যাপকসকল উপস্থিত থাকে। এই উপলক্ষে অনুষ্ঠিত সভাত ভাষণ দি শিক্ষা মন্ত্ৰীগৰাকীয়ে অসমৰ স্বাস্থ্য খণ্ডলৈ বৈপ্লৱিক পৰিৱৰ্তন আহিছে বুলি কয়। নতুন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ জৰিয়তে এই পৰিৱৰ্তন আহিলেও এতিয়াও বহু কাম কৰিবলৈ বাকী আছে আৰু সেইবোৰ পৰ্যায়ক্ৰমে ৰূপায়ণ কৰি থকা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। অনাগত দিনবোৰত বহুকেইখন নতুন চিকিৎসা মহাবিদ্যালয় স্থাপনৰ যো-জা চলি আছে বুলিও তেওঁ জানিবলৈ দিয়ে।

০০০

বিশ্ব মানসিক স্বাস্থ্য মাহ উপলক্ষে আজি চৰাইদেউ জিলাৰ জিলা আয়ুক্তৰ কাৰ্যালয়ৰ বিষয়া-কৰ্মচাৰীসকলৰ মাজত মানসিক স্বাস্থ্য সম্পৰ্কে এখন সজাগতা সভা অনুষ্ঠিত কৰা হয়। উল্লেখযোগ্য যে প্ৰতি বছৰে ১০ অক্টোবৰ দিনটো বিশ্ব মানসিক দিৱস হিচাপে পালন কৰা হয়। এইবাৰ কৰ্মক্ষেত্ৰত মানসিক স্বাস্থ্যক অগ্ৰাধিকাৰৰ সময় শীৰ্ষক বিষয়বস্তুৰে ৩১ অক্টোবৰলৈ মাহজোৰা বিভিন্ন কাৰ্যসূচী অনুষ্ঠিত কৰা হ'ব। আজিৰ এই কাৰ্যসূচীৰ অংশ হিচাপে চৰাইদেউ জিলা স্বাস্থ্য সমিতিয়ে চৰাইদেউ জিলা মানসিক স্বাস্থ্য কাৰ্যক্ৰমৰ সহযোগত সজাগতা সভাখন অনুষ্ঠিত কৰে।

০০০

আকাশবাণী গুৱাহাটী যুৱবাণীৰ সংগীত শিল্পী হিচাপে স্বীকৃতিৰ বাবে অফলাইন আবেদনৰ ব্যৱস্থা মুকলি কৰা হৈছে। অসমীয়া আধুনীক গীত, কামৰূপী আৰু গোৱালপৰীয়া লোকগীত, বৰগীত ভজন, গজল, খেয়াল, ৰবীন্দ্ৰ সংগীত, বাদ্যসংগীত আৰু লোক বাদ্য সংগীত শিতানৰ একক শাখাত আৰু দলীয় শাখাত জিকিৰ-জাৰী, বিহুগীত, টোকাৰী গীত, দিহানামত ইচ্ছুক প্ৰাৰ্থীয়ে আবেদন কৰিব পাৰিব। উল্লেখযোগ্য যে দলীয় শাখাত বাদ্য শিল্পীসহ ৫ ৰ পৰা ৮ জন সদস্যহে থাকিব পাৰিব তথা দলৰ সদস্যসকলৰ ফটো সংলগ্ন কৰি সকলোৰে নাম উল্লেখ কৰিব লাগিব। আবেদনকাৰীয়ে আবেদন প্ৰ-পত্ৰ, অনলাইন মাচুল পৰিশোধৰ বাবে যাবতীয় তথ্য আৰু নিয়মাৱলী আকাশবাণী গুৱাহাটী ফেচবুক পেজ এ আই আৰ গুৱাহাটীৰ পৰা ডাউনলোড কৰিব পাৰিব অথবা আকাশবাণী গুৱাহাটীৰ অভ্যৰ্থনা কক্ষৰ পৰা সংগ্ৰহ কৰিব পাৰিব। উল্লেখযোগ্য যে, আবেদন প্ৰ-পত্ৰ পূৰ কৰি ২৫ অক্টোবৰৰ ভিতৰত আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ অভ্যৰ্থনাকক্ষত জমা দিব লাগিব।

০০০

গোৱাৰ পানাজীত অহা ১৯ৰ পৰা ২২ অক্টোবৰলৈ অনুষ্ঠিত হ'বলগীয়া ৰাষ্ট্ৰীয় পেৰা সাঁতোৰ প্ৰতিযোগিতাত অংশগ্ৰহণৰ বাবে অসম পেৰালিম্পিক সন্থাই অসমৰ ৯ জনীয়া দলটো ঘোষণা কৰিছে। গুৱাহাটীত অনুষ্ঠিত হোৱা চতুৰ্থ সদৌ অসম পেৰা ক্ৰীড়া প্ৰতিযোগিতাত দেখুওৱা প্ৰদৰ্শনৰ ভিত্তিতেই অসম দলটো নিৰ্বাচন কৰা হৈছে বুলি সন্থাৰ তৰফৰ পৰা জানিবলৈ দিছে। দলটোৰ সদস্যসকল হ'ল- কৃষ্ণ দাস, সূৰ্য শইকীয়া, দেৱীলাল মিলি, ধুনু টাও, আনোৱাৰ শিকদাৰ, জেহৰুল ইছলাম, ছাজিদা বেগম, য়েছমিনা খাতুন আৰু প্ৰীতি দাস।

০০০

বাক্সা জিলাৰ জালাহৰ প্ৰাক্তন আছুকৰ্মী প্ৰণৱ দাসৰ নিজ বাসগৃহত মৃত্যু হয়। প্ৰয়াত দাস দীৰ্ঘদিন ধৰি জটিল ৰোগত আক্ৰান্ত হৈ আছিল। মৃত্যুৰ সময়ত তেওঁৰ বয়স আছিল ৪৫। তেওঁ বৃহত্তৰ জালাহ অঞ্চলৰ বিভিন্ন সামাজিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত ওতঃপ্ৰোতভাৱে জড়িত হৈ আছিল।

০০০

ঃঃ সমাপ্ত ঃঃ